# মূখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যালয় :: ধেমাজী

**ন্যায়িক বিষয়া আৰু কৰ্মচাৰী সকলৰ বৈঠক** **তাং- ৩০/০৬/২০১৮**

## <u>কাৰ্য্যবিৱৰণী</u>

আজি ইং ৩০/০৬/২০১৮ তাৰিখে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আদেশ নং ২৪ ৰ হুকুম মতে ন্যায়িক বিষয়া আৰু কাৰ্য্যালয়ৰ কৰ্মচাৰীসকলৰ বৈঠক মূখ্য ন্যায়িক দণ্ডাধীশৰ সভাপতিত্বত অনুষ্ঠিত হয়। শ্ৰীমতী মনিকা মিচং, ন্যায়িক দণ্ডাধীশ প্ৰথম শ্ৰেণীৰ দ্বাৰা উদ্দেশ্য ব্যাখ্যা কৰা বৈঠকখনিত অন্য ন্যায়িক দণ্ডাধীশসকলৰ লগতে কাৰ্য্যালয়ৰ কৰ্মচাৰীসকল উপস্থিত থাকে। ব্যাখ্যাত তেওঁ কয় যে, বৈঠকখনি মহামান্য উচ্চ ন্যায়ালয়ৰ আদেশক্ৰমে কৰ্মচাৰীসকলৰ লগতে ন্যায়িক দণ্ডাধীশসকলৰ অসুবিধাসমূহৰ লগতে সুপৰামৰ্শ গ্ৰহণৰ বাবে অনুষ্ঠিত কৰা হৈছে।

কাৰ্য্যালয়ৰ নাজিৰে আগবঢ়োৱা মন্তব্যত প্ৰতিলিপি শাখাৰ সম্পূৰ্ণ হোৱা, খাৰিজ হোৱা আৰু অসম্পূৰ্ণ প্ৰতিলিপি আবেদনসমূহৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত পৰামৰ্শ আগবঢ়াই । প্ৰতিলিপিসমূহৰ স্থিতি সম্পৰ্কে আবেদনকাৰী সকল অৱগত হোৱা ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনায়। গাণনিক শাখাত বিশেষ অসুবিধা নাই বুলি তেওঁৰ বক্তব্যত উল্লেখ কৰে।

মূখ্য সহায়কৰ বক্তব্যত প্ৰতিলিপি শাখা আৰু আদালতৰ সহকাৰীসকলৰ লগতে কাৰ্য্যালয়ৰ সমূহ কৰ্মচাৰীক সতৰ্কতা, নিষ্ঠা আৰু দক্ষতাৰে কাৰ্য্যালয়ৰ কামসমূহ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াই যাতে জনসাধাৰণৰ লগতে ন্যায়িক বিষয়াসকলৰ কোনো অভিযোগ আৰু অসুবিধা নাথাকে। লগতে আদালতৰ সহকাৰী সকলক ঘূৰি অহা সাক্ষী চমনসমূহ নিৰীক্ষণ কৰিবৰ বাবে পৰামৰ্শ আগবঢ়াই যাৰ যোগেৰে কিছুমান গোচৰৰ ক্ষেত্ৰত ন্যায় প্ৰদানত ন্যায়িক বিষয়াসকলৰ সুবিধা হ'ব।

মূখ্য ন্যায়িক দণ্ডাধীশে কৰ্মচাৰীসকলৰ ID প্ৰমাণ পত্ৰ লগত ৰখা-নৰখা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰে। লগতে তেওঁ কয় যে ID প্ৰমাণ পত্ৰ লগত ৰখাতো লজ্জাৰ বিষয় নহয় বৰঞ্চ গনতন্ত্ৰৰ তিনিটা প্ৰধান স্তম্ভৰ এটা

স্তম্ভ ন্যায়পালিকাৰ কৰ্মচাৰী হিচাপে গৌৰৱৰ বিষয়হে। চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰ uniform ৰ বিষয়েও একেই ধণাত্মক দিশসমূহৰ ওপৰত মন্তব্য কৰে। কৰ্মচাৰীসকলৰ ব্যক্তিগত সমস্যাসমূহ কাৰ্য্যালয়ত আতৰত ৰাখি নিজকৰ্ম সুচাৰুৰূপে কৰি কৰ্মনিষ্ঠাৰ পৰিচয় দাঙি ধৰিবলৈ আহ্বান জনায়।

সামূহিক পৰ্য্যালোচনাত আদালতৰ কক্ষত সমূহ কৰ্মচাৰীৰ লগতে বাকী জনসাধাৰণ আৰু অধিবক্তাসকলৰ মোবাইল ফোন বন্ধ ৰখাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱাৰ বিষয়ে আলোচনা হয়।

সদৌ শেষত জলযোগেৰে সভা ভংগ হয়।

30/6/18

মূখ্য ন্যায়িক দণ্ডাধীশ

(ৰূপক ৰজক)

অতিৰিক্ত মূখ্য ন্যায়িক দণ্ডাধীশ
( অনুপ খানাল )

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(মনিকা মিচং)

১ম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশ
(নাজৰানা পাৰবিন ৰেহমান)

উপস্থিত ন্যায়িক কৰ্মচাৰীসকলৰ চহী-

| ক্ৰমিক নং | কৰ্মচাৰী সকলৰ নাম | চহী |
|---|---|---|
| ১ | শ্ৰী গমেশ্বৰ সোনোৱাল | [signature] ৩০/৬/১৮ |
| ২ | শ্ৰী হাইদৰ হুচেইন | CL |
| ৩ | শ্ৰী বিদ্যা বৰশইকীয়া | [signature] |
| ৪ | শ্ৰী দীপেন দত্ত | |
| ৫ | শ্ৰী টংকেশ্বৰ দত্ত | [signature] |